শুদ্ধ নহয়। উদাহৰণ স্বৰূপে ৰপ্তানি কৰা সামগ্ৰীবিধৰ প্ৰতি মানুহৰ ৰুচি, উপযোগিতা যদি বেছি হয় আৰু আমদানিকৃত সামগ্ৰীবিধৰ প্ৰতি আসক্তিহীন হয় তেনেহলে আমদানিৰ পৰিমাণৰ ৰপ্তানিৰ তুলনাত বেছি হলেও আন্তৰ্জাতিক বাণিজ্য দেশখনৰ প্ৰতিকূলেহে গতি কৰিব।

(3) এই প্ৰকাৰ বাণিজ্য হাৰে চলিত আৰু ভিত্তি বছৰৰ আমদানি আৰু ৰপ্তানিৰ পৰিমাণ সূচাংকহে গুৰুত্ব দিয়ে। সামগ্ৰীৰ গুণগত পৰিবৰ্তন, উপভোক্তাৰ ৰুচিৰ পৰিবৰ্তন ৰপ্তানি খণ্ডত উৎপাদনশীলতাৰ পৰিবৰ্তন আদিক এই প্ৰকাৰ হাৰে অৱজ্ঞা কৰা দেখা পোৱা যায়।

**2.2.5. আয় বাণিজ্য হাৰ** (Income Terms of Trade)ঃ অৰ্থনীতিবিদ G.S.Dorrance আৰু এইচ চেটল (H. Stachle) এ আন্তৰ্জাতিক বাণিজ্যৰ বাণিজ্য হাৰ ধাৰণাটো এটা নতুন ব্যাখ্যা দাঙি ধৰিছে। এই ব্যাখ্যাক আন্তৰ্জাতিক বাণিজ্যৰ 'আয় বাণিজ্য হাৰ' বোলা হয়। তেখেত সকলৰ মতে কোনো এখন দেশৰ ৰপ্তানিৰ মূল্যসূচকক আমদানিৰ মূল্য সূচকেৰে হৰণ কৰিলেই উপাৰ্জন বাণিজ্য হাৰ বা আয় বাণিজ্য হাৰ পাব পাৰি । অৰ্থাৎ

$$\text{আয় বাণিজ্য হাৰ} = \frac{\text{ৰপ্তানিৰ মূল্য সূচক}}{\text{আমদানিৰ মূল্য সূচক}}$$

প্ৰতীকেৰে প্ৰকাশ কৰিলে আমি পাওঁ - $ITT = \frac{Px}{Pm} \times Qx$

যʼত IIT = আয় বাণিজ্য হাৰ

Px = ৰপ্তানিৰ মূল্য

Pm = আমদানিৰ মূল্য

Qx = ৰপ্তানিৰ পৰিমাণ

Example :- Supposed the year 2005 is a base year and the value of Pn , Pm and Qn is 100 for this year. Again the value of Pn = 140 , Pm = 98 and Qn = 90. In the year 2009 find out the value of income terms of trade ?

Answer. আমি জানো -

$$ITT = \frac{Px}{Pm} \times Qx\ ,$$

*Now,*

$$ITT = \frac{140}{98} \times 90$$

$$ITT = 1.4286 \times 90,$$

$$\therefore ITT = 128.571$$

অৰ্থাৎ ভিত্তি বছৰ 2005 ৰ তুলনাত 2009 চনত আয় বাণিজ্য হাৰৰ উন্নতি ঘটিছে বা আন্তৰ্জাতিক বাণিজ্য দেশখনৰ অনুকুলে গৈছে।

Example :- Supposed the base year 2005 and the value of Px, Pm and Qx of this year is 100. Again the current year is 2010 and the value of Px , Pm and Qx are 110 , 155 and 119, find out the value of income terms of trade.

Answer :-

আমি জানো -

$$ITT = \frac{Px}{Pm} Qn,$$

$$= \frac{110}{155} \times 119,$$

$$= 0.7097 \times 119,$$

$$\therefore ITT = 84.8516$$

অৰ্থাৎ ভিত্তি বছৰৰ তুলনাত চলিত বছৰত আয় বাণিজ্য হাৰ দেশখনৰ প্ৰতিকুলে গৈছে। আয় বাণিজ্য হাৰ ধাৰণাটো উন্নত দেশৰ ক্ষেত্ৰত প্ৰযোজ্য। এনেবোৰ দেশত অৰ্থনৈতিক উন্নয়নৰ হাৰ উচ্চস্তৰত ৰাখিবৰ বাবে কিমান পৰিমাণ

ৰপ্তানিৰ পৰিবৰ্তে কিমান পৰিমাণ আমদানি কৰাৰ প্ৰয়োজন এইটো বাণিজ্য হাৰৰ জড়িয়তে তাক নিৰ্ধাৰণ কৰিব পাৰি। হলেও এইটো বাণিজ্য হাৰো সমালোচনা মুক্ত নহয়। উদাহৰণ স্বৰূপে সময়ৰ পৰিবৰ্তনৰ লগে লগে আন্তৰ্জাতিক বাণিজ্যৰো পৰিবৰ্তন ঘটে। এনে পৰিবৰ্তনে দেশখনৰ প্ৰকৃত অৱস্থাৰ ওপৰত কেনে প্ৰভাৱ পেলাইছে তাক জানিব পৰা নেযায়।

দ্বিতীয়তে দেশখনৰ ৰপ্তানি মূল্য বেছি বা আমদানি মূল্য কম হলেই যে আন্তৰ্জাতিক বাণিজ্য দেশখনৰ উন্নয়নৰ অনুকুলে যাব তেনে নহয়। কাৰণ আমদানি কৰা সামগ্ৰীবিধ কিমান জনকল্যাণমুখী তাৰ ওপৰতো গুৰুত্ব থাকে। দেশে ৰপ্তানি কৰা সামগ্ৰীবিধ যদি কম জনকল্যাণমূলক আৰু আমদানি কৰা সামগ্ৰী যদি বেছি জনকল্যাণমূলক হয় তেতিয়া দেশে সৰহকৈ আমদানি কৰিহে বেছি লাভবান হ'ব পাৰে।

2.2.6.2(a) **একক উপাদান বাণিজ্য হাৰ** (Single Factoral Terms of Trade)ঃ নিগুট পণ্য বিনিময় বাণিজ্য হাৰ ধাৰণাটোৰ সীমাবদ্ধতাৰ সমূহ আঙুলিয়াই দি এই ধাৰণাটোৰ এক উন্নত ব্যাখ্যা দিবলৈ গৈ অৰ্থনীতিবিদ জেকব ভিনাৰে (Jacob Vinner) একক উপাদান বাণিজ্য হাৰ ধাৰণাটো অৱতাৰণা কৰে। জেকব ভিনাৰৰ মতে নিগুট দ্ৰব্য বিনিময় বাণিজ্য হাৰ আৰু ৰপ্তানি উৎপাদনশীলতা সূচাংকৰ মাজৰ পূৰণফলকে একক উপাদান বাণিজ্য হাৰ (Single Factoral Terms of Trade) বোলা হয়।

অৰ্থাৎ $SFTT = NBTT \times Zx$

নাইবা $$SFTT = \frac{Px}{Pm} \times Zx$$

য'ত SFTT = একক উপাদান বাণিজ্য হাৰ

Px = ৰপ্তানিৰ মুল্য সূচাংক

Pm = আমদানিৰ মূল্য সূচাংক

Zx = ৰপ্তানি উৎপাদনশীলতাৰ সূচাংক

উদাহৰণ ঃ- ধৰা হওক দেশ এখনৰ ক্ষেত্ৰত ৰপ্তানিৰ মূল্য সূচাংক = 150 আমদানিৰ মূল্য সূচাংক = 170 আৰু ৰপ্তানিৰ উৎপাদন শীলতাৰ সূচাংক =

130 হয়, তেনেহ'লে নিগুট পণ্য বিনিময় বাণিজ্য হাৰ -

$$NBIT = \frac{Px}{Pm} \times 100\,,$$

$$NBTT = \frac{150}{170} \times 100,$$

$$= 0.88235 \times 100,$$

$$= 88.235$$

অৰ্থাৎ আন্তৰ্জাতিক বাণিজ্যৰ দ্বাৰা দেশখনৰ নিগুট পণ্য বিনিময় বাণিজ্য হাৰ ক্ষতিগ্ৰস্ত হয়। (কাৰণ NBTT= 88.235 < 100 )

পুনৰ একক উপাদান বাণিজ্য হাৰ -

$$(SFTT) = \frac{Px}{Pm} \times Zx\,,$$

$$= \frac{150}{170} \times 130$$

$$= 0.88235 \times 130,$$

$$= 114.7055$$

অৰ্থাৎ নিগুটি পণ্য বিনিময় বাণিজ্য হাৰ আন্তৰ্জাতিক বাণিজ্যৰ যোগেদি ক্ষতিগ্ৰস্ত হলেও এক উপাদান বাণিজ্য হাৰৰ উন্নতি ঘটিব (কাৰণ একক উপাদান বাণিৰ্জ্য হাৰ = 114.7055 > 100 )

অন্য এটা উদাহৰণ লোৱা যাওক। ধৰা হওঁক কোনো এখন দেশৰ আন্তৰ্জাতিক বাণিজ্যৰ ক্ষেত্ৰত কোনো এটা বছৰত Px =160 , Pm = 120 আৰু Zx = 70 । এনে অৱস্থাত নিগুট পণ্য বিনিময় বাণিজ্য হাৰ -

$$= \frac{Px}{Pm} \times 100,$$

$$= \frac{160}{120} \times 100,$$

$$= 1.3333 \times 100$$

$$= 133.33$$

অৰ্থাৎ আন্তৰ্জাতিক বাণিজ্যৰ পৰা বছৰটোত দেশখনৰ নিগুট পণ্য বিনিময় হাৰ অনুকুল হ'ব।

পুনৰ একক উপাদান বাণিজ্য হাৰ -

$$= \frac{Px}{Pm} \times Zx,$$

$$= \frac{160}{120} \times 70,$$

$$= 1.3333 \times 70$$

$$= 93.3333$$

অৰ্থাৎ বছৰটোত দেশখনৰ নিগুট পণ্য বিনিময় বাণিজ্য হাৰ অনুকুলে গলেও একক উপাদান বাণিজ্য হাৰ প্ৰতিকুলে যাব বা ক্ষতিগ্ৰস্থ হ'ব।

2.2.7.**সমালোচনা** (Criticism) ঃ অৰ্থনীতিবিদ চি. পি. কিন্‌লি বাৰ্জাৰে তেখেতৰ "International Economics" নামৰ গ্ৰন্থখনিত একক উপাদান বাণিজ্য হাৰক একে আষাৰে "Monotrous piece of Jargon" বা অদ্ভুত বেবেৰিবাং কথা বা বলকণি বুলি মন্তব্য কৰিছে। এই তত্বই আমদানিকৃত উদ্যোগে ব্যৱহাৰ কৰা উপাদান বিলাকৰ উৎপাদনশীলতাৰ বিষয়ে আলোচনা কৰা দেখা নেযায়। গতিকে এখন দেশৰ আন্তৰ্জাতিক বাণিজ্যৰ সম্পৰ্কত ই এক আংশিক ছবিহে ডাঙি ধৰিব পাৰে।

হলেও উন্নত আৰু উন্নয়নশীল ৰাষ্ট্ৰৰ ক্ষেত্ৰত একক উপাদান বাণিজ্য হাৰ অধিক প্ৰতিনিধিত্ব মূলক। নিগুত পণ্য বিনিময় বাণিজ্য হাৰ ধাৰণাটোৰ তুলনাত